এদিনাখন এদল গৰখীয়াই গৰু চৰাই থাকোঁতে এটি ময়ূৰৰ কণী পালে। তাকে লৈ সিহঁতৰ মাজতে খেদা-খেদি লাগিল। সিহঁতে আচৰিত হৈ ইটোৱে সিটোলৈ চাই ভাবিলে ই কিহৰ কণী হ'ব পাৰে! সিহঁতৰ ভিতৰৰে এজনে ক'লে—"আমি চিনি নাপাওঁ, গতিকে নাভাঙিবা। ইয়াক নি ৰজাক দেখুৱাব লাগিব।" ল'ৰাবোৰে নাজানে যে বসুমতীৰ নুমলী জী ছিনতা কুংৰীয়ে কণীৰ ৰূপলৈ জন্ম লৈছে।

ল'ৰাজাকৰপৰা কণীটো পাই বামনপ'য়ে মিচিকিয়াই হাঁহি ক'লে—"বোপাহঁত! ই ৱ'-ৰামকংৰ (ময়ূৰী) কণী। ল'ৰা-ছোৱালীয়ে খাব নাপায়, বেমাৰ হ'ব। তোমালোক যেতিয়া মাছ লৈ যাবা শিলবোৰত পিছল খাবা। সেয়ে কণীটো মোক দি যোৱা।"

বামনপ' ৰজাই পত্নীক কণীটো দি ক'লে—"ইয়াক থৈ দিয়াচোন। মনত পৰিলে কেতিয়াবা খাম।" তাকে শুনি ৰাণীয়ে কণীটো নি খালৈত থৈ দিলে।

এদিন আহিল খেতিৰ বতৰ। বামনপ'ই খেতিৰ কামত ৰৰকৈ লাগিছে। সেয়েহে কণীটোলৈ মনতে নপৰিল। এক দুই সপ্তাহৰ পিচত কণীটোৰপৰা এজনী দীপ্‌লিপ্‌ ছোৱালীৰ জন্ম হ'ল। তাকে দেখি ৰাণীৰ মনত আনন্দই নধৰা হ'ল। ৰাণীয়ে আথে-বেথে তুলি ল'লে আৰু মৰমতে তাইৰ নাম থলে ছিনতা কুংৰী।

ৰাম-লখন আৰু ছিনতাৰ শৈশৱৰপৰা বিয়ালৈ

বামনপ' ৰজাই বহু ঠাইত পাম ৰাখি খেতি কৰিছিল। সেইবোৰ পামত বছৰৰ পাছত বছৰ পাৰ কৰি দিছিল। সেয়েহে ব্যস্ততাত ঘৰত ছিনতা কুংৰীৰ জন্মৰ কথা মুঠেই নাজানিছিল।

বামনপ'ৰ অজ্ঞাতে ছিনতা কুংৰী ডাঙৰ-দীঘল হ'বলৈ ধৰিলে।

Digitization by American Academy of Indic Studies. AAIS(USA)

ছিনতা কুংৰীৰ ৰূপ-যৌৱন যেন এটা পকা তিয়ঁহে। তাইৰ অপৰূপ ৰূপ-লাৱণ্য দেখি মাতৃ হেমফীপীয়ে সদায় তাইক লোকৰ চকুৰ আঁৰত ৰাখিব বিচাৰে। জানোচা কাৰোবাৰ চকু লাগেই।

অন্যহাতেদি ছিনতা কুংৰীয়ে সখীয়েকসকলৰ সৈতে বাহিৰলৈ ওলাই যাবলৈ সদায়েই মাকৰপৰা অনুমতি বিচাৰে। উত্তৰত মাকে কয়—"মা কুংৰী! তোৰ এইহেন ৰূপ; তোৰ ৰূপেই তোক বিপদত পেলাব পাৰে। নহ'লেও ৰ'দ-ৰৰষুণে তোৰ ৰূপ নষ্ট কৰিব পাৰে। গতিকে ঘৰতে থাক।"

কেইবাদিনো তেনে উত্তৰ পোৱাত এদিন ছিনতা কুংৰীয়ে মাকৰ কথা নামানি খাঙত মাছ-মাংস, মদ-ভাত লৈ দেউতাক বামনপ'ৰ আহাৰ যোগাবলৈ বুলি ৰাওনা হ'ল। তাকে দেখি মাকে ক'লে—"মা ছিনতা! বাট বহু দূৰ। তোৰ বৰ কষ্ট হ'ব।"

ছিনতা কুংৰীয়ে কথালৈ আওকাণ কৰিলে। কিয়নো, ইতিমধ্যে মাকৰ কথা আওকাণ কৰি বামনপ'ৰ বহুদিন ধৰি চাফ-চিকুন নকৰা বাৰীখন ছিনতা কুংৰীয়ে এক পলকতে চাফ-চিকুন কৰি পেলালে। বাৰীত থকা ভেলো, পমা আদি বিৰাট বিৰাট গছবোৰ উভালি পেলোৱা দেখি সকলো অবাক হ'ল। আটাইতকৈ আচৰিত হ'ল বামন ৰজাৰ বিশেষভাৱে নির্ম্মিত বিৰাট লোহাৰ ধনুখন ছিনতা কুংৰীয়ে হাতেৰে তুলি ধৰাত। কাৰণ, এই ধেনু কোনো বীৰ-মহাবীৰেই দাঙিব পৰা নাছিল।

মাতৃ হেমফীৰপৰা বিতং বিৱৰণ লৈ ছিনতা কুংৰীয়ে পিতৃৰ বাবে আহাৰ লৈ যাবলৈ ওলাল। বাটত অনেক বাধা-বিধিনি অতিক্রম কৰি ছিনতা কুংৰীয়ে গৈ গৈ বামনপ'ৰ পামত উপস্থিত হ'ল আৰু বামনপ'ক পিতৃ সম্বোধন কৰি তেওঁ লৈ অহা আহাৰ গ্রহণ কৰিবলৈ যাচিলে। এজনী অচিনাকি ছোৱালীয়ে পিতৃ সম্বোধন কৰা দেখি বামনপ' আচৰিত হ'ল যদিও বাহিৰে একো প্রকাশ নকৰি

Digitization by American Academy of Indic Studies. AAIS(USA)

ৰাজকাৰেঙলৈ এবাৰ গৈ অহাৰ মনস্থ কৰিলে। ছিনতা কুংৰীলৈ চাই মনে-মনে ভাবিলে—"কি অপূৰ্ব ৰূপ।"

ৰৰ তৃপ্তিৰে ভোজন সমাপ্ত কৰি বামনপ'ই ছিনতাক ক'লে—"মাজনী! ময়ো আজি ঘৰ গৈ পোৱাৰ কথা আছিল। তই আহিছ—ভালেই কৰিছ। একেলগে যাওঁ ব'ল।" তাকে কৈ হুয়ো ঘৰলৈ আহিল।

ঘৰ আহি পাই বামনপ'ই দৰবাৰ আহ্বান কৰিলে। সকলোৰে উপস্থিতিত হেমফীপীক মাতি ছিনতা কুংৰীৰ বিষয়ে প্ৰশ্ন কৰিলে। প্ৰশ্নৰ উত্তৰত হেমফীপীয়ে ৱ-ৰামকংৰ কণীৰপৰা ছিনতাৰ কেনেকৈ জন্ম হৈ ডাঙৰ-দীঘল হ'ল তাৰ হুবহু বিৱৰণ ভাঙি-পাতি ক'লে।

তাকে শুনি বামনপ' অতি সুখী হ'ল। মনতে ভাবিলে, তেনে দুৰ্লভ বস্তু লাভত ভগৱানৰ দানৰ বাহিৰে কি হ'ব পাৰে? ছিনতা কুংৰীক জীয়েকৰ স্বীকৃতি দি ঘোষণা কৰিলে—"মোৰ পূৰ্ণ যৌৱনা ৰূপহী জী ছিনতা কুংৰীৰ বিয়াৰ আয়োজন কৰা হওক আৰু এনে এজন লোকে ছিনতাক বিয়া কৰাব পাৰিব, যিজনে মোৰ উপৰি-পুৰুষৰ দিনৰ এহেজাৰ মোন ওজনৰ লোহাৰ ধনু-কাঁড় ভাঙিব পাৰিব। প্ৰজাসকল! দেশে-বিদেশে খবৰ দিয়া যাতে কোনো বীৰ-মহাবীৰে খবৰ নোপোৱাকৈ নাথাকে।"

সাগৰৰ পাৰত থকা দহৰম ৰজাৰ পুত্ৰ ৰাম আৰু লখনে হেমফুৰ ৰৰত বলীয়ান হৈ উঠিল। শুক্লপক্ষৰ জোনৰ দৰে দিনক দিনে বাঢ়ি যৌৱনত ভৰি দিলে। দহৰম ৰজাই ৰাম-লখনক সকৰেপৰা যুদ্ধ বিদ্যা, ৰাজনীতি আদি শিক্ষা দি পাৰ্গত কৰি তুলিছিল। সেই ৰাজ্যত ৰাম আৰু লখনৰ সমান বীৰ আৰু নাছিল। সিহঁতৰ যশ আৰু নাম দশোদিশে বিয়পি পৰিল।

এদিন ৰাম আৰু লখনে হাতত ধনু-কাঁড় লৈ মৃগয়া কৰিবলৈ ওলাওতে সিহঁতৰ সন্মুখত বৈৰাগীৰ ৰূপলৈ হেমফু উপস্থিত হ'ল আৰু ক'লে—"হেৰা বোপাহঁত! তোমালোক মোৰ ওচৰলৈকে

Digitization by American Academy of Indic Studies. AAIS(USA)

আহাচোন! এটা খবৰ শুনিছা? ইয়াৰপৰা পূৱপিনে থকা বামনপ' ৰজাৰ একমাত্ৰ ৰূপহী জী ছিনতা কুংৰীৰ সয়ম্বৰ হৈ আছে। তোমালেকে খবৰ পাইছানে?"

ৰাম আৰু লখনে একেমুখে ক'লে—"তেনে কথা আমি নাজানো। যাব লগা হ'লে যাব পাৰোঁ। কিন্তু আমি নো কি বীৰ-মহাবীৰ যে আনে আমাৰ খবৰ ল'ব?" এই বিষয়ে ৰাম আৰু লখন দুয়ো আলোচনা কৰিলে। ৰামৰ কথাত লখনে উত্তৰ দিলে—"সকলো তোমাৰ ইচ্ছা; মোক সোধাৰ কোনো প্ৰয়োজন নাই। তুমি য'লৈকে যোৱা, তোমাৰ ছাঁ হৈ মই সদায়েই থাকিম।"

তাকে শুনি ৰামে গৈ ততালিকে পিতৃ-মাতৃৰপৰা অনুমতি লৈ আহিল আৰু যাবলৈ ওলাল। গৈ গৈ আধা-বাট পাওঁতে বৈৰাগী ৰূপী হেমফুৱে ক'লে—"হেৰা ৰাম আৰু লখন! ইয়াত দুটা বাট। এটা বাটেৰে এদিনতে বামনপ'ৰ ঘৰগৈ পাম। কিন্তু বাটটো বৰ বিপদজনক, অনেক মায়াবী অসুৰ আছে; আৰু আনটো বাটেদি গ'লে বৰ আৰামেৰে যাব পাৰিম। কিন্তু যাওঁতে বহু দিন লাগিব। এতিয়া কোৱাহঁক, কোন বাটেৰে যাবা।"

বৈৰাগীৰ কথা-শুনি ৰাম-লখনে ক'লে—"মায়াবী অসুৰে কি কৰিব? এদিনীয়া বাট এৰি আমি ইমানদূৰ ঘূৰি অহাৰ প্ৰয়োজন নাই। গতিকে এই এদিনীয়া বাটেদিয়েই যাওঁ বলক।"

ৰাম-লখনৰ বীৰত্বপূৰ্ণ কথা শুনি বৈৰাগীয়ে অতি আনন্দ পালে। আৰু সেই বাটেদিয়েই বামনপ'ৰ ৰাজ্যলৈ আগবাঢ়িল। কিন্তু, সৰ্ব্বনাশ! বিৰাটকায় এটা ৰাক্ষসীয়ে সিহঁতক আগভেটা দি তৰ্জন-গৰ্জন কৰিবলৈ ধৰিলে—"ক'লৈ যাবি তহঁত? আজি মোৰ অন্ন মিলিছে।"

তাকে শুনি ৰামে ক'লে—"সাৱধান, আমাক বাধা নিদিবা। আমি বামনপ' ৰজাৰ জীয়ৰী ছিনতা কুংৰীৰ সয়ম্বৰ চাবলৈ ওলাইছোঁ। অযথা জুলুম নকৰিবা। অন্যথা তোমাৰ বিপদ।"

Digitization by American Academy of Indic Studies. AAIS(USA)

ৰামৰ কথা শুনি ৰাক্ষসী দুগুণে জ্বলি উঠিল। তাকে দেখি ৰামে কটাৰী এখন উলিয়াই হেমফুৰ নামলৈ মূৰলৈ মাৰি পঠিওৱাৰ লগে লগে ৰাক্ষসী দুফাল হৈ দুয়োপিনে ঢাল খাই পৰিল আৰু তেওঁলোক নিৰিঘ্নে গুচি গ'ল।

ৰাম-লখনক ৰামনপ' ৰজাই আথে-বেথে আদৰণি জনাই ৰাজ অতিথি হিচাবে ৰাখিলে।

ছিনতা কুংৰীৰ সয়ম্বৰলৈ দেশ-বিদেশৰপৰা ৰজা-ৰাজকুমাৰ, ৰীৰ-মহাৰীৰসকল আহি ৰামনপ'ৰ ৰাজসভা ভৰি পৰিল। ৰাজ-সভাত সোণ-ৰূপৰ অসনবোৰ চিক্‌মিকাই উঠিল। উপস্থিত আলহী-সকলক উদ্দেশ্য কৰি ৰামণপ'ই ক'লে—"হে ৰীৰ ৰজা-মহাৰজা-সকল! আজি মোৰ একমাত্র জী ছিনতা কুংৰীয়ে, আমাৰ পূৰ্ব্ব-পুৰুষৰ দিনৰ ধনু-কাঁড়খন যিজনে ভংগ কৰিব পাৰিব, তেওঁকেই পতি বৰণ কৰিব। গতিকে সকলোৱে সাজু হৈ থাকক।"

ছিনতা কুংৰীৰ সয়ম্বৰত লংকাপতি ৰাৱণো উপস্থিত। ৰামনপ'ৰ কথা শুনি ৰাৱণে মিচিকিয়াই হাঁহি ক'লে—"ইনো কি ডাঙৰ কথা! এই কাম কৰিব মইহে নালাগে মোৰ পুত্র মেঘনাদেও পাৰিলেহেঁতেন। যা হওক ধনু-কাঁড়খন ক'ত আছে দেখু�ৱাই দিয়া। আজি ৰাৱণৰ পৰাক্রম দেখুৱাম।"

ৰাৱণে গৈ বাওঁহাতৰ আঙুলিৰে ধনুখন উঠাবলৈ গৈ পিছত বাওঁহাতেৰে আৰু শেষত দুয়ো হাতেৰে সৰ্বশক্তি প্রয়োগ কৰিও উঠাব নোৱাৰিলে। লাজত ৰাৱণ ৰজা ৰঙা-চিঙা পৰিল আৰু ততালিকে ৰথত উঠি লংকালৈ উৰা মাৰিলে। যাওঁতে কৈ গ'ল—"সময়ত ছিনতা কুংৰীৰ বিষয়ে চিন্তা কৰা হ'ব।"

তাৰ পিছত এজন এজনকৈ সকলো ৰীৰ ব্যর্থ হোৱাত ৰামনপ'ই মহাচিন্তাত পৰি বিনাব ধৰিলে—"এই পৃথিৱীত ইমান ৰীৰ, মহা-ৰীৰৰ অভাৱ যে ছিনতা কুংৰীৰ বাবে লাজৰ বিষয় হৈ পৰিছে।" তাকে শুনি লখন গৰজি উঠিল—"হে ৰামন! তেনে কথা নকবা।

Digitization by American Academy of Indic Studies. AAIS(USA)

মোৰ ককাই ৰাম ইয়াত উপস্থিত। তেওঁ ইচ্ছা কৰিলে এতিয়াই হৰধনু ভংগ কৰিব পাৰে।"

লখনৰ কথা শুনি উপস্থিত বীৰসকলে বিদ্রূপৰ হাঁহি মাৰিলে। তাকে দেখি ৰামে বহাৰপৰা উঠিল আৰু হৰধনুৰ ওচৰলৈকে গৈ ক'লে—"হে বীৰ, মহাবীৰ আৰু প্রজাসকল! সকলোৱে সাৱধানে থাকক। মই হৰধনু ভংগ কৰিম। তাৰ গগন ফলা শব্দত আটায়ে কলা-বোবা হলে ৰামৰেই বদনাম হ'ব। গতিকে সকলোৱে সাৱধান হ'ব।"

ৰামৰ কথাশুনি আটায়ে আৰু দুগুণে হাঁহিলে। তাৰে এজনে ক'লে—"হে ৰাম! ৰাৱণৰ দৰে বীৰ এজনে এই কাম কৰিব পৰা নাই। তুমিহেন ক্ষীণকায় এটাই কি কৰিবা!"

"একো কৰিব নোৱাৰিলেও চেষ্টা কৰি চাব পাৰোঁ। কিন্তু সাৱধান বাণীলৈ যেন আটায়ে মনত ৰাখে।" তাকে কৈ ৰামে বাওঁহাতেৰে হৰধনুখন উঠাই লৈ গগন-ফলা শৰেৰে ভংগ কৰিলে। ৰামে মিচিকিয়া হাঁহিৰে থিয় দি থাকিল।

ৰামনপ' ৰজা অতি সুখী হ'ল আৰু জীয়েক ছিনতা কুংৱীক মাতি পূর্ব প্রতিশ্রুতি মতে ৰামৰ হাতত গটাই দিলে।

হৰধনু ভংগৰ পিছত ৰামে ছিনতা কুংৱীক লাভ কৰিলে আৰু কুংৱীক লৈ গৃহাভিমুখে ৰাওনা হ'ল। আগে আগে ৰাম মাজত সীতা কুংৱী আৰু শেষত লখন গৈ থাকিল। তাকে দেখি বনৰীয়া পশু-পক্ষীবোৰেও ৰাম-লখনৰ বীৰত্বৰ প্রমাণ ল'বলৈ বুলি সিহঁতক বাধা দিবলৈ ধৰিলে। বনৰীয়া জন্তুবোৰক দূৰ-বিদূৰলৈ খেদি পঠাবলৈ লখনক আদেশ দি ৰামে শাও দিলে,—"ৱ'ৰেক-ৱ'হাৰ, পশু-পক্ষীবোৰে ভৱিষ্যতলৈ মানুহৰ বৃদ্ধিৰ কবলত সদায়েই জীৱন দিব লাগিব।"

তাৰপৰা অলপ গৈ বৰপুৰামক লগ পালে। মহাবীৰ বৰ-পুৰামে হাতত কুঠাৰ লৈ উদ্যত হৈ সুধিলে—"ছিনতা কুংৱীৰ সয়ম্বৰৰ

Digitization by American Academy of Indic Studies. AAIS(USA)

খবৰ এতিয়াই শুনিলোঁ। তেনে হৰধনু ময়ো ভংগ কৰিব পাৰোঁ। তুমিয়েই নেকি সেই মহাবীৰ ৰাম? এজন ৰাম পৃথিৱীত থাকে মানে অন্য ৰাম কেনেকৈ হ'ব পাৰে? তোমাৰ আৰু মোৰ শক্তি পৰীক্ষা হ'ব লাগিব। এই লোৱা মোৰ ধনুকাঁড়, যদি তুমি গুণ লগাব নোৱাৰা, তেনেহলে এই কুঠাৰেৰে তোমাৰ শিৰচ্ছেদ কৰা হ'ব।"

তাকে শুনি ৰামে ধনুকাঁড়খন হাতত লৈ গুণ লগালে। তেতিয়া ৰৰপুৰামে চিঞৰি উঠিল—"হৈছে, হৈছে, মোৰ ভুল ভাঙিছে। তুমি আহিলা যেতিয়া পৃথিৱীত মোৰ কাম শেষ। গতিকে তুমি থাকা। আশীৰ্ব্বাদ কৰিছোঁ। তুমি পৃথিৱীত ধৰ্ম ৰাজ্য প্ৰতিষ্ঠা কৰিব পাৰিবা।" তাকে কৈ ৰৰপুৰাম গুচি গ'ল। ৰামে ছিনতা কুংৰীক লৈ নিৰ্বিঘ্নে নিজ ৰাজ্য পালেগৈ।

ৰামৰ বনবাস

দিনবোৰ ৰাগৰিল। দহৰম ৰজাৰ দেহালৈ আহিল বাৰ্ধক্য। চুলিবোৰ পকি অহাৰ লগে লগে শাৰীৰিক শক্তিও লোপ পাই আহিল। সেয়েহে সংসাৰৰ সকলো ভাৰ তেওঁৰ ৰৰপুত্ৰ ৰামক গতাই দিবলৈ মনস্থ কৰিলে।

সেই উদ্দেশ্যে ৰামক ওচৰলৈ মাতি ক'লে—"বোপা! তুমি প্ৰজাবোৰক পালন কৰা। মোৰ দিন চমু চাপি আহিছে। তুমি ডাঙৰ হ'লা। ৰাজ্যখন তুমিয়ে চলাই নিয়া। আজিৰপৰা সকলো তোমাক গতালোঁ।"

ৰামক ৰজা পতাৰ বাতৰিয়ে সকলোকে আনন্দ দিলে। তাৰে ভিতৰত দহৰম ৰজাৰ এজনী পত্নীয়ে সহ্য কৰিব পৰা নাছিল। ৰাম ৰজা হ'বৰ কথা শুনিয়েই হিংসাত পুৰি মৰিবলৈ ধৰিলে। কাৰণ তাইৰ পুত্ৰ ভৰতক ৰজা পতাৰ সপোন তাই দেখি আহিছিল। সপোন সপোন হৈ থাকিবলৈ নিদি বাণীয়ে দহৰম ৰজাক ক'লে,—

Digitization by American Academy of Indic Studies. AAIS(USA)

"হে মহাৰাজ! আজি আপোনাৰ বৰপুত্ৰ ৰামে ৰাজ্যভাৰ গ্ৰহণ কৰিব। আপোনাৰ কাৰণে আজি অতি আনন্দৰ দিন। এনেহেন আনন্দৰ দিনতে আপোনাৰপৰা বৰ খুজিবলৈ আহিছোঁ।"

তাকে শুনি দহৰম ৰজাই ক'লে—"ৰাণী! কি বৰ লাগে তোমাক! তোমাক যি লাগে মই শপথ খাই কৈছোঁ—তাকেই দিম। কি লাগে কোৱা।"

তাকে শুনি ৰাণীয়ে ক'লে—"তেনেহলে শুনক, আপোনাৰ বৰপুত্ৰ ৰামৰ পৰিৱৰ্তে মোৰ পুত্ৰ ভৰতক ৰাজপাট দিব লাগে। দ্বিতীয়তে, বাৰ বছৰৰ কাৰণে ৰামক বনবাসলৈ পঠাব লাগে।"

তাকে শুনি দহৰম ৰজা পাগলৰ দৰে হ'ল। কাকুতি-মিনতি কৰি ৰাণীক ক'লে—"তুমি তেনে কথা নকবা। ৰাম বনবাসলৈ গুচি গ'লে মই থাকোঁ কেনেকৈ? তোমাক অন্য যি বৰ লাগে লোৱা, কিন্তু ই কেনেকৈ হ'ব!"

ৰাণী তথাপি অলৰ-অচৰ। যি বৰ খোজা হৈছে, তাইক লাগিবই। এনেতে ৰাম ওলালহি। ৰামে মাহীমাকে খোজা বৰৰ কথা শুনি হাঁহি মাৰি ক'লে—"এইটো এটা সাধাৰণ কথা। আদেশ কৰক, আজিয়েই মই বনবাসলৈ ওলাই যাম।"

ৰামৰ কথা বৃদ্ধ দহৰম ৰজাই সহ্য কৰিব পৰা নাছিল। তথাপি নিৰুপায়! ইতিমধ্যে ইকাণ-সিকাণ কৈ ৰাম বনলৈ যোৱাৰ কথা ৰাষ্ট্ৰ হৈ গ'ল। কথাটো ভায়েক লখনৰ কাণত পৰাৰ লগে লগে দৌৰি আহি ক'লে—"ককাইদেউ আপোনাৰ লগতে ময়ো বনলৈ যাম।"

তাকে শুনি ৰামে ক'লে—"লখন! তেনে কথা নকবা। আমাৰ মা-দেউতা বৃদ্ধ হৈ আহিছে। তেখেতসকলৰ সেৱা-শুশ্ৰূষাৰ ভাৰ তোমাকে দিওঁ বুলি ভাবিছোঁ।" ৰামৰ কথাত লখন মান্তি নহ'ল তাৰু তাক বনলৈ নিবৰ বাবে বৰকৈ ধৰাত, ৰামে লগত নিবলৈ বাধ্য হ'ল। কিয়নো, লখনৰ যুক্তি এয়ে যে সি নহ'লেও বৃদ্ধ

Digitization by American Academy of Indic Studies. AAIS(USA)

মা-দেউতাৰ একো অসুবিধা নহয়। কাৰণ ভৰতে তেওঁলোকৰ সেৱা-শুশ্ৰূষাৰ ভাৰ লবই।

ৰাম আৰু লখণে বনবাসলৈ ওলোৱাত ছিনতা কুংৰীও লগত যাবলৈ ওলাল। তাকে শুনি ৰামে বুজাবলৈ চেষ্টা কৰিলে যে নাৰী বনবাসলৈ যোৱাটো উচিত নহয়। কিয়নো, বনবাসৰ আদেশ কেৱল ৰামৰ কাৰণেহে। গতিকে বাৰ বছৰৰ পিচত পুনৰ লগ পাবই।

ৰামৰ কথাত ছিনতা সন্তুষ্ট নহ'ল। যুক্তি দেখুৱালে যে পত্নী সদায়েই পতিৰ ছাঁয়া স্বৰূপ। পতি য'লৈকে নেযাওক, সকলো শোক-দুখৰ সমভাগী। গতিকে ৰামৰ লগত বনবাসলৈ যোৱাৰ কোনো বাধা থাকিব নোৱাৰে।

শেষত উপায়ন্তৰ হৈ ৰামে ছিনতাকো লগত নিবলৈ মান্তি হ'ল। ৰাম-লখণ আৰু ছিনতা কুংৰী বনলৈ ওলোৱা বাতৰিয়ে সকলো প্ৰজাকে ম্ৰিয়মান কৰি তুলিলে। বিশষকৈ বৃদ্ধ পিতৃ দহৰথ ৰজাই অন্তৰত বৰকৈ আঘাত পালে আৰু তাতেই তেওঁৰ মৃত্যু হ'ল। প্ৰজাৰ মাজত হাহাকাৰ লাগিল।

ৰাম-লখণ আৰু ছিনতাই আহি লাংলংকু বনত প্ৰবেশ কৰিলে। লাংলংকু বনত সকুকৈ পঁজা সাজি তিনিওটাই সুখেৰে থাকিল।

লাংলংকু ৰাৱণৰ ৰাজ্য লংকাৰ ওচৰত। ৰাৱণৰ মায়াবী প্ৰজা-বোৰে নানান ৰূপলৈ এই লাংলংকুৰ বনতে বিচৰণ কৰে। সৃষ্টিকৰ্ত্তা হেমফুৰ কি মহিমা, তেৱেঁই ৰাম-লখণক বীৰ ৰূপে সৃষ্টি কৰিলে। আনহাতে পৃথিৱীত পাপৰ অৱসান ঘটাই ধৰ্ম্ম ৰাজ্য প্ৰতিষ্ঠাৰ হেতুকে দুটি নাৰী—ছিনতা আৰু থেছ'মাহাদিক সৃষ্টি কৰিলে।

অন্যান্য মায়াবী অসুৰৰ দৰেই ৰাৱণৰ ভগ্নী থেছ'মাহাদিও লাংলংকু বনলৈ ফুৰিবলৈ আহিল। লাংলংকু হেন অটব্য হাবিত মানুহৰ উপস্থিতিয়ে তাইক আচৰিত কৰিলে। ৰাম-লখণৰ শৌর্য্য-

Digitization by American Academy of Indic Studies. AAIS(USA)

বীৰ্য্য আৰু ছিনতা কুংৰীৰ ৰূপ-গুণ দেখি তাই মোহিত হ'ল। বিশেষকৈ লখণৰ প্ৰতি আকৃষ্ট হৈ ৰাম-লখনৰ অনুপস্থিতিৰ সুযোগ লৈ তাই মানবীৰ ৰূপলৈ ছিনতা কুংৰীৰ ওচৰ চাপিল। থেছ'মাহাদিৰ অমায়িক ব্যৱহাৰত ছিনতা মুগ্ধ হ'ল আৰু কথাই-কথাই তাই দেৱৰেক লখণলৈ যাবৰ ইচ্ছা প্ৰকাশ কৰিলে। অভিপ্ৰায় সাৰ্থক হোৱা যেন পাই মনে মনে বৰ আনন্দ পালে আৰু পুনৰ আহিবলৈ কথাদি লংকালৈ গুচি গ'ল।

ৰাম-লখণ উভতি অহাৰ পিচত ছিনতাই লখণক লগ ধৰি থেছ'মাহাদিৰ ৰূপ-গুণ বখানিব ধৰিলে আৰু তাই বিয়া কৰাবলৈ ক'লে। ছিনতাই যুক্তি দাঙি ধৰিলে যে ৰাম আৰু লখণে ফল-মূল বিচাৰি ওলাই গ'লে তাই বৰ অকলশৰীয়া অনুভৱ কৰে। সেয়েহে ৰন্ধা-বঢ়া কামৰ লগৰীয়া স্বৰূপে থেছ'মাহাদিক পালে ভাল হয়।

ছিনতাৰ কথা শুনি লখণ গৰজি উঠিল—"বৌদেউ! লাংলংকু হেন এনে অটব্য হাবিত আমি তিনিজনৰ বাহিৰে আৰু নৰ-মুনিষ নাই। তেনেস্থলত থেছ'মাহাদি আপোনাৰ ভ্ৰান্তিৰ বাহিৰে একো নহয়। মোক দুনাই তেনে কথা নকব।"

লখণক মান্তি কৰাবৰ বাবে ছিনতাই পুনৰ ক'লে—"চোৱা লখণ! তোমালোক দুয়ো ভাই-ককাইৰ মাজত নাৰী বুলিবলৈ কেৱল মইহে আছোঁ। তাতে আনে কিবা কথা উলিয়াব পাৰে। গতিকে তুমি থেছ'মাহাদিক বিয়া কৰাই লোৱাটো সকলোৰে কাৰণেই মঙ্গল।"

ছিনতাৰ কথাত দুখ-পাই লখণে কান্দি উঠিল আৰু অনাহাৰে দিন কটাবলৈ ধৰিলে। লখণৰ দৃঢ় প্ৰতিজ্ঞা যে সি বিয়া কৰোৱাৰ দূৰৈৰ কথা জীৱনত নাৰীৰ মুখলৈকে নেচাব আৰু বনত থকালৈকে লখিমী মুখত নিদিব।

পিচদিনা পূৰ্ব্বৰ কথামতে থেছ'মাহাদি ছিনতাৰ ওচৰলৈ আহিল। তাইক দেখি ছিনতাই ক'লে—"হে ৰমনী! লখণক

Digitization by American Academy of Indic Studies. AAIS(USA)

মই বহুত বুজালোঁ। কিন্তু নিৰূপায়। মোৰ কথাত বেয়া পায় সি অনাহাৰে আছে। তুমি নিজে তাক লগ ধৰা গৈ।"

ছিনতাৰ কথামতে থেছ'মাহাদিয়ে লখণৰ ওচৰলৈ গৈ ক'লে—"হে মহাবীৰ লখণ। আজি মই তোমাক পতি বৰণ কৰিবলৈ আহিছোঁ। তুমি মোক গ্ৰহণ কৰা।"

থেছ'মাহাদিৰ কথা শুনি লখণৰ খং উঠিল আৰু কাঁড়পাত উলিয়াই তাইৰ নাক কাটি পেলালে। লাজ-অপমানত মৃতপ্ৰায় হৈ থেছ'মাহাদি লংকালৈ গুচি গ'ল। তাকে দেখি ছিনতাই দৌৰি আহি ক'লে—"সৰ্ব্বনাশ হ'ল—লখণ! তুমি কিয় তেনে কৰিলা? তাৰ প্ৰতিশোধ ল'বলৈ সিহঁত আহিব!"

ছিনতাৰ কথা শুনি লখণে খঙেৰে ক'লে—"সেইবোৰ সকলো আপোনাৰ কাৰণেই হৈছে। তথাপি মই ভয় নকৰোঁ। লাগিলে যুদ্ধ দিবলৈও প্ৰস্তুত আছোঁ।"

থেছ'মাহাদি গৈ লংকা পালে আৰু ককায়েক ৰাৱণৰ আগত সকলো ঘটনা বিৱৰি ক'লে। সাধাৰণ মানুহৰ হাতত ভনীয়েকৰ তেনে অপমানৰ কথা শুনি তাৰ প্ৰতিশোধ ল'বলৈ ৰাৱণ প্ৰস্তুত হ'ল। থেছ'মাহাদিয়ে নিজৰ দুখৰ কথা কৈ যাওঁতে ছিনতা কুংৱীৰ ৰূপ-লাৱণ্যৰ কথাও কবলৈ—নেপাহৰিলে। ভনীয়েক থেছ'মাহাদিৰ সন্তুষ্টিৰ কাৰণে ৰাৱণে ছিনতাক হৰণ কৰিবলৈ ঠিক কৰিলে আৰু লাংলংকু বনলৈ বুলি উৰা মাৰিলে।

সীতা হৰণ

থেছ'মাহাদিক দিয়া প্ৰতিশ্ৰুতি মতে ৰাৱণে হৰিণাৰ ৰূপলৈ লাংলংকু বনলৈ আহি ৰাম-লখণৰ জুপুৰীৰ ওচৰত চৰি ফুৰিবলৈ ধৰিলে। হৰিণাটো ছিনতাৰ চকুত পৰিল আৰু ৰাম-লখণৰ আগত তাইৰ ইচ্ছা ব্যক্ত কৰি ক'লে,—"হে ৰাম-লখণ! চোৱাহঁকোন,

Digitization by American Academy of Indic Studies. AAIS(USA)

কেনে ধুনীয়া হৰিণা। তেনে সোণালী হৰিণা মই কেনেকৈ পাব পাৰোঁ? যেনেকৈয়ে নহওঁক হৰিণাজনী মোক লাগিবই।"

তাকে শুনি লখণে ক'লে,—"বৌদেউ! ই হৰিণা নহবও পাৰে—কিয়নো আমি পৃথিবীৰ নানান ঠাইত ফুৰিলোঁ, কিন্তু তেনে হৰিণা ক'তো দেখা নাপালোঁ। ই নিশ্চয় কোনোবা মায়াবী অসুৰৰ কাম হ'ব পাৰে। ৰাৱণৰ প্ৰজাবোৰে এই বনত সদায় বিচৰণ কৰিবই লাগিছে। ই নিশ্চয় ৰাৱণৰ কোনোবা মায়াবী প্ৰজা হ'ব।"

লখণৰ কথা শুনি ছিনতাৰ খং উঠিল। আৰু ক'লে,—"হে ৰাম-লখণ! তোমালোকে মোক সদায়েই মিছা প্ৰবোধ দি থাকা। সকলোৱে দেখিছে যে হৰিণা এজনী চৰি আছে, তাত কেনেকৈ মায়াবী অসুৰ হ'ব পাৰে? শক্তিহীন পুৰুষ ৰাম আৰু লখণ! তোমালোক দুয়ো কাপুৰুষ; ময়েই তোমালোকৰ হৈ চেলেং পিন্ধি হাতত ধনু-কাঁড়লৈ হৰিণা মাৰোঁগৈ।"

ছিনতাৰ কথা শুনি মনে মনে লাজ পাই ৰামে ক'লে,—"লখণ! ধেনুকাঁড় মোক দিয়া। হৰিণাজনী ময়েই মাৰোঁ।" তাকে কৈ কাঁড় এৰিব খোজোঁতেই—হৰিণাৰূপী ৰাৱণে একে জাপে বাৰটা পাহাৰ আৰু বাৰটা উপত্যকা অতিক্ৰম কৰি পাৰ হৈ পলাল।

তাকে দেখি ৰামে ক'লে—"কুংৰী! মোৰ বাবে কেইদিনমানৰ কাৰণে খোৰাকী, পাণ-তামোল আদি ঠিক কৰা। মই হৰিণাজনী বিচাৰি যাওঁ আৰু হৰিণাজনী নেপাওঁ মানে উভতি নাহো।"

তাৰ পিচত লখণলৈ চাই ক'লে,—"মৰমৰ ভাই মোৰ! তুমি বৌৰেৰাৰ ওচৰতে থাকা। তেওঁৰ ওচৰৰ পৰা এখন্তেকো আঁতৰি নেযাবা। ময়ো অতি সোনকালে ঘূৰি আহিম।"

তাকে কৈ ৰাম গুচি গ'ল। হৰিণাৰ পিছে পিছে খেদি গৈ অটব্য হাবিত প্ৰবেশ কৰিলে আৰু হৰিণাজনী দেখি কাঁড় এৰি দিলে। কাঁড়পাতে গৈ হৰিণাক বিন্ধিলে। হৰিণা ঢালখাই বাগৰি

Digitization by American Academy of Indic Studies. AAIS(USA)

পৰিল আৰু পুৰ্ব সিদ্ধান্ত মতে হৰিণাজনীয়ে "ৰামজাপ-ৰামজাপ" অৰ্থাৎ 'অ' লখণ! মই ৰাম মৰিলোঁ।"—বুলি চিঞৰি উঠিল।

চিঞৰটো গৈ ছিনতা কুংৰীৰ কাণত পৰিল। ভয়বিহ্বলা ছিনতাই ইনাই-বিনাই লখণক ক'লে, "লখণ! তুমি সোনকালে যোৱা। তোমাৰ ককাই ৰামৰ নিশ্চয় কিবা বিপদ হৈছে।"

তাকে শুনি লখণে হাঁহি হাঁহি ক'লে,—"বৌদেউ! সেইটো ককাইদেউৰ মাত নহয় আৰু ৰাম-লখণ ইমান সহজতে নমৰে। যিদিনা ৰামৰ মৃত্যু হ'ব—পৰ্বত-পাহাৰ খহি পৰিব, গছ-গছনি বাগৰি পৰিব, নদী, সাগৰ শুকাই যাব; মুঠতে পৃথিবী ধ্বংস হৈ যাব।"

লখণৰ কথা শুনি ছিনতাৰ খং উঠিল,—"লখণ! তুমি মোক মিছা প্ৰবোধ দিব নেলাগে। তোমাৰ মনৰ কথা মই জানো। তোমাৰ ককায়েৰাৰ মৃত্যুৰ পাছত মোকলৈ তুমি সংসাৰ কৰিব বিচৰা নহয়? শুনা লখণ! যদি সেইটো হয়, তেন্তে তোমাৰ মনোৰাঞ্ছা পূৰণ নহ'ব। ৰামৰ মৃত্যুৰ পাছত মই মা-দেউতাৰ ওচৰলৈকে গুচি যাম।"

লখণ লাজত পৰিল আৰু খঙত অধীৰ হৈ ক'লে,—"বৌদেউ! আপুনি তেনে কথা নকব। আপুনি নেজানে যে আজিলৈকে অন্ন মোৰ মুখত পৰা নাই আৰু নাৰীৰ মুখলৈ চোৱা নাই। তেনেস্থলত আপোনাৰ মুখত তেনে কথা শোভা নেপায়। যাহওক কথা মই নেপেলাওঁ। কিন্তু, শুনক এই অটব্য হাবিত আমাৰ কোনো নাই। আমাৰ অনুপস্থিতিত কোনোবা আহিলেও মাত-বোল নকৰি বা পানী-দুনী বিচাৰিলেও একোকে নিদিব।" এই বুলি কৈ লখণে কাঁড়ডাল উলিয়াই মাটিত কেইটামান চিন দি ক'লে,—"বৌদেউ! এইবোৰ চিনৰ ওপৰেদি আমাৰ বাহিৰে কোনো পাৰ হৈ যাব নোৱাৰিব। যদি পাৰ হ'বলৈ কোনোবাই চেষ্টা কৰে তেন্তে—ভস্ম হৈ যাব।" তাকে কৈ লখণ গুচি গ'ল।

লখণ গুচি যোৱাৰ পাচত ইপিনে পাপী ৰাৱণে বৈৰাগীৰ বেশ লৈ

Digitization by American Academy of Indic Studies. AAIS(USA)

চোতালত ইনাই-বিনাই মাতিবলৈ ধৰিলে—"হে ৰাণী মা! ভোক-পিয়াহত মৰো মৰো! এই অটব্য হাবিত মানুহৰ ছাঁটোও দেখা নাই। অলপ পানী দিয়া মা!"

লখণে কৈ যোৱাৰ কথা ছিনতাৰ মনত পৰি ক'লে,—"হে'ৰা ভিক্ষাৰী! আজে-বাজে কথা ইয়াত নকবা। এই বনত ইমানবোৰ জান-জুৰি, ফল-মূল আছে তাৰ পৰা খাই নোলোৱা কিয়?"

তাকে শুনি বৈৰাগীয়ে ক'লে,—"মই হেন দুখীয়া বৈৰাগীয়ে ছিনতা কুংৰীৰ চৰণতেই ভোক-পিয়াহত মৃত্যুমুখত পৰিছে বুলি আপোনাৰ বদনাম পৃথিবীত ৰৈ যাব।" ভিক্ষাৰীৰ কথা শুনি ছিনতা গভীৰ চিন্তাত পৰিল: "এ'ৰা, কথাটো মিছা নহয়।" তাকে ভাবি হাতত এটা লোটা লৈ পানী যাচিলে—"হে'ৰা বৈৰাগী! পানী লোৱা।"

চতুৰ ৰাৱণে বুদ্ধি কৰি ক'লে—"হে মা মহাৰাণী! ৰাম আৰু লখণ হৈছে ভগবানৰেই অংশ। তেখেতসকল থকা ঠাইলৈ মই যোৱাটো ভাল নহ'ব। আপুনিয়েই অলপ দয়া কৰি আহি দি যাওকহি। আপোনাৰ ধৰ্ম হ'ব।"

ছিনতাই আগ-পিছ একো নেভাবি লখণে দি যোৱা চিনবোৰ পাৰ হৈ আহি বৈৰাগীৰ ওচৰ পালেহি। বৈৰাগীজনে পানী লোৱাৰ চলেৰে ছিনতাৰ হাতখন থাপমাৰি ধৰিলে আৰু ৰাৱণৰ ৰূপলৈ ৰথত উঠাই লংকালৈ উৰা মাৰিলে।

উৰি যাওঁতে সকলোকে সাৱধান কৰি গ'ল—"ৰাম আৰু লখণে ছিনতা কুংৰীক বিচাৰি হাবাথুৰি খাই বহুতক সুধি ফুৰিব। যদি কোনোবাই ছিনতা কুংৰীৰ বতৰা দিয়ে, তেন্তে ৰাৱণৰ হাতত তাৰ নিস্তাৰ নাই; ধাঁহ-বন, পশু-পক্ষী, জোন-বেলি-তৰা সকলোকে সাৱধান কৰি দিছোঁ।"

Digitization by American Academy of Indic Studies. AAIS(USA)

ৰাম-লখণৰ কাজিয়া

লখণে গৈ ৰামক লগ ধৰিলে। লখণক দেখি ৰামে ক'লে—"লখণ! এনে নৰ-মুনিষহীন হাবিত ছিনতাক অকলে এৰি থৈ তুমি কিয় আহিলা? এনে মায়াবী ৰাক্ষসেৰে ভৰপূৰ হাবিত অকলশৰীয়া ছিনতাৰ কিবা হৈ গ'লে তুমি কি শান্তি পাবা? ঘূৰি গৈ যদি মই ছিনতাক নেপাওঁ, তেন্তে তোমাৰ মৃত্যু অনিবাৰ্য্য।" তাকে কৈ দুয়ো ঘৰলৈ বুলি দৌৰ দিলে।

ঘৰত আহি ছিনতাক নেদেখি চিঞৰ-বাখৰ কৰিলে। কিন্তু ক'তো ছিনতা কুংৰীৰ সহাঁৰি নেপাই ৰামৰ খং দুগুণে উঠিল—"লখণ! তোমাৰ অবিবেচনাৰ হেতুকে আমি এনে বিপদত পৰিছোঁ। তাৰ শাস্তি স্বৰূপে তোমাৰ মৃত্যু অনিবাৰ্য্য।"

ৰামৰ কথা শুনি লখণৰ ভয় হ'ল। তথাপি ক'লে—"ককাইদেউ! আপোনাৰ হাতত আজি মোৰ মৃত্যু হ'বই। তাৰ আগতে মোৰ মনোবাঞ্ছা এটা পূৰণ কৰক। আমি দুয়ো ভাই-ককাই কোনো দিনে একে থালত একেলগে আহাৰ গ্ৰহণ কৰা নাই। গতিকে আজি আপুনি নিজ হাতে ৰান্ধি খুৱাওক।"

লখণৰ প্ৰস্তাৱত ৰাম মান্তি হ'ল আৰু জুই জ্বলাই ল'লে। প্ৰথমতে এডাল খৰিৰে ৰামে জুই জ্বলাবলৈ ধৰিলে। তাকে দেখি লখণে আৰু এডাল খৰি দিয়ক বুলি ক'লে। এডাল এডাল কৈ তিনিডাল খৰি দিয়াতহে ৰামে জুই জ্বলাবলৈ সক্ষম হ'ল। তাৰ পিচত চৰু বহাবৰ বাবে জাগি বনাবলৈ কলত প্ৰথমতে এটা, পিচত দুটা এনেকৈ তিনিডাল জাগি বহোৱাৰ পিচতহে ৰামে চৰু বহাবলৈ সক্ষম হ'ল।

তেতিয়া লখণে ক'লে,—"চাওঁক ককাইদেউ, যেনেকৈ এডাল, দুডাল খৰিত জুই নজ্বলে, এটা বা দুটা জাগিৰ ওপৰত চৰু বহাব নোৱাৰোঁ; সেইদৰে কেৱল ৰাম আৰু লখণে পৃথিবীত থাকিব নোৱাৰে।

Digitization by American Academy of Indic Studies. AAIS(USA)

আমাৰ লগত বৌদেউ থাকিব লাগিব। গতিকে সোনকালে আহাৰ কৰোঁ আৰু বৌদেউক বিচাৰি যাওঁ।”

ৱ’মু ৰামবেপীৰ মৃত্যু

লংকাধিপতি ৰাৱণে ছিনতা কুংৰীক ৰথত তুলি আকাশৰ বহু ওপৰেদি উৰি গৈছিল। এনেতে নাৰীৰ বিননি শুনি ৰামবেপীয়ে (ৰাম-লখণৰ মোমায়েক) চাই দেখিলে যে পাপী ৰাৱণে ছিনতাক হৰণ কৰি লংকালৈ গৈ আছে। ৰামবেপীয়ে বিজুলী বেগেৰে উৰি গৈ ৰাৱণক বাধা দিলে। প্ৰথমে ৰাৱণে সাধাৰণভাৱে লৈছিল। ৰামবেপীয়ে পাখীৰে খপৰিয়াই ৰথখন মাটিত পেলাই দিয়াতহে ৰাৱণৰ সংজ্ঞা ফিৰি আহিল। ততালিকে ৰথখন উৰুৱাই পলাব ধৰোঁতেই ৰামবেপীয়ে আগভেটা দিলে। বহুপৰ আকাশত যুদ্ধ হ’ল। শেষত ৰাৱণে তৰোৱালেৰে ৰামবেপীৰ বাহু এটা কাটি পেলোৱাত সি বাগৰি পৰিল। তথাপি ছিনতাক অভয় দি ক’লে— “মাজনী! তই একো চিন্তা নকৰিবি। যেতিয়া ৰাম-লখণে বিচাৰি আহিব, তেতিয়া তাৰ প্ৰকৃত সন্ধান মই দিম।”

ছিন্‌তাৰ অন্বেষণ আৰু বালিবধ

ৰাম আৰু লখণে ছিনতাক বিচাৰি হাবাথুৰি খালে। উপায় বিচাৰি ঘূৰি ফুৰোঁতে মোমায়েক ৰামবেপীৰ অৱস্থা দেখি অবাক হ’ল। সিহঁতক দেখি ৰামবেপীয়ে ক’লে—“বোপাহঁত! মোৰ জী ছিনতাক মহাপাপী ৰাৱণে লৈ গ’ল। মোৰ শৱ সৎকাৰ কৰি তোমালোক লংকালৈকে গৈ ৰাৱণক বধ কৰি ছিনতাক উদ্ধাৰ কৰা। আশীৰ্বাদ কৰিছোঁ যুদ্ধত তোমালোকেই জয়ী হবা।”

Digitization by American Academy of Indic Studies. AAIS(USA)

মোমায়েক ৱ'মু ৰামবেপীৰ পৰা সকলো দিহা-পৰামর্শ লৈ তেওঁলোকে লংকালৈ যোৱাৰ আয়োজন কৰিলে। এনেতে লগ পালে বায়ু (ডলি) ৰজাৰ পুত্ৰ মহাবীৰ উলিমনক। উলিমনে চিনি পাই ৰামৰ চৰণ চুই ক'লে—"হে ৰাম! আমাৰ ৰাজ্যত দুজন ৰজাই ৰাজ-সিংহাসনৰ কাৰণে অনাবৰত অৰিয়া-অৰি কৰি আছে। বালি আৰু হিক্ৰেংৰ তেনে যুদ্ধত আমি অতিশয় কষ্ট পাইছোঁ।"

উলিমনৰ কথা শুনি ৰামে ক'লে—"কাজিয়াৰ কাৰণ নজনাকৈ আনৰ কাজিয়াত হাত দিওঁ কেনেকৈ?" ৰামৰ কথা মতে উলিমনে কাজিয়াৰ কাৰণ বৰ্ণনা কৰিবলৈ ধৰিলে : "হে ৱাম! কাজিয়াৰ কাৰণ একপ্ৰকাৰ ডাঙৰেই। একালত আমাৰ ৰাজ্যত এটা ডাঙৰ অসুৰে ৰৰকৈ উপদ্ৰৱ কৰিছিল। অসুৰটোক বধ কৰিবলৈ বালি আৰু হিক্ৰেং দুয়ো ভাই-ককাই লগ লাগি খেদি ফুৰিছিল। অসুৰ-টোৱে প্ৰাণ ৰক্ষাৰ উপায় নেপায় এটা গুহাত সোমাল। দুয়ো ভাই-ককায়ে আলচ কৰি ভায়েকক গুহাৰ সম্মুখত ৰখিবলৈ কৈ বালিয়ে গুহাত প্ৰৱেশ কৰিলে। হিক্ৰেং বাৰ বছৰ ধৰি ৰখিও বালিৰ খবৰ নোপোৱাত যুদ্ধত মৰিল ভাবি গুচি আহিল। গুচি আহোঁতে অসুৰটোৱে আকৌ ওলাই উপদ্ৰৱ কৰিব পাৰে ভাবি বিৰাট শিল এটাৰে গুহাৰ মুখটো বন্ধ কৰি থৈ আহিল। বালিৰ মৃত্যু হ'ল ভাবি হিক্ৰেং ৰজা হ'ল। আৰু বালিৰ পত্নীক বিয়া কৰাই ৰাজধানী পতা হ'ল।

ইপিনে অসুৰটোক বধ কৰি আহি তাৰ ব্যৱহাৰত দুখ পাই বালিৰ ভায়েকৰ ওপৰত ভীষণ খং উঠিল। বালি ৰাজধানীত উপস্থিত হৈয়েই গম পালে যে ভায়েকে সিংহাসন অধিকাৰ কৰাৰ উপৰিও বৌৱেককো বিয়া কৰাই পত্নীৰূপে গ্ৰহণ কৰিছে। ফলত সদায়েই যুদ্ধ হয়। গতিকে কিবা এটা ব্যৱস্থা কৰক মই ৰজা হিক্ৰেংক এতিয়া লৈ আনো।"

উলিমনে ৰজা হিক্ৰেংক আনি লগ লগালে। আলোচনাৰ

Digitization by American Academy of Indic Studies. AAIS(USA)

অন্তত স্থিৰ হ'ল যে ৰাম আৰু লখণে বালিক বধ কৰাৰ পিচত হিক্ৰেংএ সৈন্য-সামন্ত দি ছিনতাৰ উদ্ধাৰৰ সহায় কৰিব। পিচ-দিনাই যুদ্ধৰ দিন-বাৰ ঠিক হ'ল।

পিচদিনা পুৱা বালি আৰু হিক্ৰেংৰ মাজত যুদ্ধ আৰম্ভ হ'ল। যুদ্ধত হিক্ৰেংৰ জয়ৰ আশা নেদেখি ৰামে বালিলৈ কাঁড় এৰি দিলে। বালি বাগৰি পৰাৰ লগে লগে ৰাম আৰু লখণ ওচৰলৈ আহিল। ৰাম-লখণক দেখি বালিৰ চকুপানী ওলাল আৰু ক'লে - "হে ৰাম আৰু লখণ! তোমালোকে বিনা দোষত মোক মাৰিলা। ছিনতা কুংৰীৰ উদ্ধাৰত সহায় কৰিব বুলিয়েই হিক্ৰেংৰ কথামতে মোক মাৰিলা। মই জীয়াই থাকিলে ৰাৱণনো কি? আজি কেইবা বছৰৰ আগতেই তাক মই মোৰ নেজ ডালেৰে মেৰিয়াই বাৰটা সাগৰৰ পানী খুৱাই বাৰটা পাহাৰৰ বাৰটা উপত্যকাৰ সিপাৰলৈ দলিয়াই পেলাই দিছিলোঁ।"

তাকে শুনি ৰামে বালিক আৰু জীয়াই থকাৰ ইচ্ছা আছে নে নাই সুধিলে। উত্তৰত বালিয়ে ক'লে—"জীয়াই থাকি কি কৰিম? ককাই-ভাইৰ মাজত যুদ্ধ-বিগ্ৰহ হৈ থকাতকৈ তোমাৰ হাতত মৰি বৈকুণ্ঠলৈকে যাম। গতিকে মোক শান্তিৰে মৰিবলৈ দিয়া।"

উলিমনৰ লঙ্কা যাত্ৰা আৰু ছিনতা কুংৰীৰ সন্ধান লাভ

বালিৰ মৃত্যুৰ পিচত হিক্ৰেং একছত্ৰী ৰজা হ'ল। তাৰ সকলো প্ৰজা আৰু সৈন্য-সামন্ত মাতি আনি ক'লে—"তোমালোক আটায়ে দশোদিশে যোৱা আৰু ছিনতা কুংৰীৰ সন্ধান লোৱা। কামৰ মূল দায়িত্ব উলিমনক দিলোঁ।"

ৰজাৰ হুকুম মতে উলিমনে বহু সৈন্য-সামন্ত লৈ ছিনতা কুংৰীৰ সন্ধানত ওলাল। হিক্ৰেংৰ সৈন্যবোৰে অনেক নদ-নদী, পৰ্ব্বত-ভৈয়াম পাৰ হৈ অৱশেষত সাগৰৰ পাৰ পালে গৈ। তাতে সৈন্যবোৰে

Digitization by American Academy of Indic Studies. AAIS(USA)

নিৰূপায়ত পৰা, জানি উলিমনে ক'লে—"বন্ধু সকল! তোমালোকে ইয়াতে মোলৈ অপেক্ষা কৰা। ছিনতা কুংৰীৰ সন্ধানত মই লঙ্কা ৰাজ্যলৈ যাওঁ।"

ইয়াকে কৈ উলিমনে পিতৃ বায়ু বজাক স্মৰণ কৰি উৰা মাৰিলে। উৰি গৈ মাজ সাগৰতে উলিমনে দৈত্যকায় প্ৰাণী এটা লগ পালে। দৈত্যকায় প্ৰাণীটোৱে উলিমনক লংকাৰ পথত আগভেটা দিলে। উলিমনে দৈত্যটোৰ মূৰত ভৰি দি একেজাপে লংকাত প্ৰবেশ কৰিলে। লংকা গৈ পায়েই উলিমনৰ চিন্তা হ'ল—সেই মহা চতুৰ ৰাৱণে ছিনতা কুংৰীক ক'তবা লুকাই থলে? এই দৰে বিচাৰি পাত-পাত কৰি অৱশেষত ছিনতাক লগ পালেগৈ।

দুখত কান্দি কান্দি ছিনতা কুংৰী ব্যাকুল। উলিমনে ছিনতাক লগ ধৰি নিজৰ পৰিচয় দি সান্ত্বনা দিলে: "হে হেমফী! দুখ কৰাৰ কোনো কাৰণ নাই। মই উলিৰ পুত্ৰ উলিমন আহি পাইছোঁ। এতিয়া মোৰ ভোক লাগিছে। কিবা খাবলৈ দিয়ক।"

ছিনতাই অলপ সান্ত্বনা পাই ক'লে—"হে পৱনপুত্ৰ! মইনো তোমাক কি দিম? তুমি সাগৰৰ পাৰে পাৰে যোৱা আৰু যি ফল-মূল পোৱা খাই লোৱা।"

ছিনতাৰ কথামতে উলিমনে সাগৰৰ পাৰলৈ যাত্ৰা কৰি এফালৰ পৰা সকলো ফল-মূল শেষ কৰিবলৈ ধৰিলে। তাকে দেখি ৰাৱণৰ প্ৰজাবোৰে ভয়ত কোৱাকুই কৰিবলৈ ধৰিলে—"বায়ুৰ পুত্ৰ উলিমন আহি লংকা পালেহি, গতিকে আমাৰ ৰাজ্য ধ্বংস হ'ব।" প্ৰজাবোৰে উলিমনৰ কাণ্ডবোৰ দেখি ভয়ত ৰজাৰ ওচৰ পালেগৈ।

উলিমনৰ লংকাৰ প্ৰৱেশৰ বাতৰি পায়েই ৰাৱণে তাক ধৰি অনিবলৈ পুতেক মেকনাদক পাচিলে। মেকনাদে বিচাৰি গৈ উলিমনক লগ পাই যুদ্ধত পৰাস্ত কৰি বন্দী কৰিলে আৰু ৰাৱণৰ ওচৰলৈ লৈ আহিল। ৰাৱণে উলিমনৰ মৃত্যুদণ্ডৰ আদেশ দিয়া শুনি উলিমনে ক'লে—"মই বায়ুৰ পুত্ৰ উলিমন। মোক মাৰিবলৈ হ'লে

Digitization by American Academy of Indic Studies. AAIS(USA)

এহেজাৰ মোন তুলা আনি মোৰ নেজত বান্ধি দি অগ্নি সংযোগ কৰা। তেতিয়াহে মোৰ মৃত্যু হ'ব।"

উলিমনৰ কথাত বিশ্বাস কৰি ৰাৱণে এহেজাৰ মোন তুলা বান্ধি অগ্নি সংযোগ কৰাৰ লগে লগে সি উৰা মাৰি ইঘৰ-সিঘৰকৈ সমগ্ৰ লংকা নগৰত জুই লগালে। ফলত ৰাৱণৰ বহুতো প্ৰজা মৃত্যুমুখত পৰাৰ লগতে অনেক গৃহহীনো হৈ পৰিল।

কিন্তু উলিমনো বৰ বিপদত পৰিল। নেজত লাগি অহা জুইৰ শিখা কেনেকৈ নিৰ্ব্বাপিত কৰা যায়? উপায় নেপাই ছিনতাৰ ওচৰলৈকে আহি বুদ্ধি বিচাৰিলে: "হে হেমফী! এই জুইৰ শিখা নুমাবলৈ বহু সাগৰ, নদ-নদীৰ ওচৰলৈ গলোঁ। কিন্তু ফল একো নহ'ল। এটা উপায় দিয়ক।"

তাকে শুনি ছিনতাই ক'লে—"হে উলিমন! এই সমস্ত জুইৰ শিখা তোমাৰ মুখত ভৰাই দিয়া।" ছিনতাৰ কথামতে জুই কুৰা মুখত ভৰাই দিয়াত উলিমনৰ মুখখন পুৰি ক'লা হৈ গ'ল। তথাপিও অগ্নিৰ পৰা পৰিত্ৰাণ পাই ক'লে, "হেমফী! আপুনি অলপো চিন্তা নকৰিব। মই এতিয়াই প্ৰভু ৰাম-লখণৰ ওচৰলৈ যাওঁ আৰু তেওঁলোকে খবৰ পোৱা মাত্ৰেই লংকাত উপস্থিত হ'ব।"

লংকাত ভয়াবহ অগ্নিকাণ্ড ঘটাৰ পাছত ৰাৱণৰ ভীষণ খং উঠিল আৰু প্ৰতিজ্ঞা কৰিলে যে সি ছিনতা কুংৰীক পত্নী ৰূপে গ্ৰহণ কৰিহে এৰিব।

ৰাৱণৰ তেনে প্ৰতিজ্ঞাত ধৰ্ম্মভীৰু ভায়েক বিবিহনে বুজাবলৈ চেষ্টা কৰিলে—"হে মহাৰাজ, তেনে কথা নক'ব। ধাৰ্ম্মিক ৰামৰ প্ৰতি তেনে ব্যৱহাৰ কৰাৰ পৰা আমাৰ স্বৰ্ণ লংকা ধ্বংস হৈ যাব। গতিকে ছিনতা কুংৰীক মুক্তি দি ৰামৰ সৈতে বন্ধুত্ব কৰক।"

বিবিহনৰ কথাত ৰাৱণৰ খং উঠিল: "দেশ-দ্ৰোহী বিভিহন! তই ৰামৰ ফলিয়াহৈ কথা কৈছ? সাধাৰণ মানুহ

Digitization by American Academy of Indic Studies. AAIS(USA)

ৰামে মোক কি কৰিব? পাপী বিবিহন! আজিৰ পৰা তই মোৰ কোনো নহ'ৰ। এতিয়াই লংকাৰ পৰা বাহিৰ হৈ যা।"

ৰাৱণৰ আদেশ মতেই বিবিহনে দেশান্তৰ হৈ ৰামৰ ওচৰলৈকে গুচি আহিল।

ৰাম-লখণৰ লঙ্কা অভিযান

ৰামে হিক্রেংৰ সৈন্যদল লৈ সাগৰৰ পাৰ পাই সকলো দেৱ-দেৱতাক সন্তুষ্ট কৰাই সেতু বন্ধোৱাত লাগিল। আত্মপিনে ৰাৱণৰ বিশ্বাস যে সাধাৰণ মানুহ ৰামে জীৱনত কেতিয়াও সাগৰ পাৰহৈ লংকাত ভৰি দিব নোৱাৰিব।

কিন্তু ৰাৱণৰ ভুল ধাৰণা পিচদিনাই ধৰা পৰিল। এজন বার্ত্তাবাহকে জনালে যে ৰামে সৈন্য-সামন্ত লৈ লংকাত প্ৰৱেশ কৰিছে। তাকে শুনি ৰাৱণে ততালিকে সৰু পুতেকক ৰাম আৰু লখণক ধৰি আনিবলৈ পাচিলে। কিন্তু ৰামৰ এপাত শৰেই তাক শেষ কৰি দিলে।

সৰু পুতেকৰ মৃত্যুৰ খবৰ পাই ৰাৱণে ভায়েক কুম্ভক ৰণলৈ পঠালে। কুম্ভ মহাবীৰ আছিল। এহেজাৰ দিন সাৰে থাকি এহেজাৰ দিন শুই থাকে। টোপনিৰ পৰা কুম্ভক জগাই ৰণলৈ পঠালে। কিন্তু ৰাম-লখণৰ হাতত তাৰ প্ৰাণ গ'ল।

কুম্ভৰ মৃত্যুৰ বাতৰি পাই ৰাৱণৰ চিন্তা হ'ল। সেয়েহে তাৰ নির্ভৰযোগ্য পুত্ৰ মেকনাদক যুদ্ধলৈ পাচিলে। তাকে শুনি ৰামৰ শুভাকাঙ্ক্ষী বিবিহনে আহি ক'লে—"হে ৰাম! মেকনাদ ইমান সহজ প্ৰকৃতিৰ নহয়। সি যুদ্ধলৈ অহাৰ আগতে পূজা-পাতল দি তাৰ জীৱনটো তাতেই এৰি আহে সেই সময়ত যদি তাক বধ কৰিব নোৱাৰে বিপদ আছে।"

বিবিহনৰ কথা ৰামে সিমান ভাল পোৱা নাছিল। কিন্তু

Digitization by American Academy of Indic Studies. AAIS(USA)

বিবিহনে খাটাং ভাৱে ক'লে যে মেকনাদৰ মৃত্যু নোহোৱালৈকে ৰামে ছিনতা কুংৰীক উদ্ধাৰ কৰিব নোৱাৰিব।

কথাৰ গুৰুত্ব বুজি ৰামে বিবিহনৰ সৈতে লখণক মেকনাদক বধ কৰিবলৈ পাচিলে। মেকনাদে পূজা কৰি থকা অৱস্থাত পাই লখণে তাক বধ কৰিলে।

ৰামে-লখণে অন্যায়ভাবে পুতেক মেকনাদক বধকৰা শুনি ৰাৱণ বিমর্ষ হ'ল। তথাপি পুত্রহত্যাৰ ভীষণ প্রতিশোধ লবলৈ ৰাৱণে সসৈন্যে ৰাম-লখণৰ সন্মুখত উপস্থিত হ'ল। ৰাৱণৰ খং উঠাৰ কথা জানি স্বর্গ-মর্ত্ত্য-পাতাল কঁপিবলৈ ধৰিলে। আনপিনে ৰাৱণ গৰজি উঠিল—"সাধাৰণ মনিছ ৰাম আৰু লখণ! তঁহতক কোনে ৰক্ষা কৰে আজি চাম।"

ৰাৱণৰ কথাত লখণৰ খং উঠিল। আৰু যুদ্ধ ঘোষণা কৰিলে। ৰাৱণে এপাত শৰ লখণলৈ এৰিলে, আৰু লখণ ধৰাশায়ী হ'ল। ৰাম গভীৰ চিন্তাত পৰিল। লখণক কেনেকৈ বচোৱা যায়? উপায় ক'ত?

এনেতে বিবিহনে আহি ক'লে যে মালংছ'লিং পর্ব্বতত তাৰ দৰৱ আছে। যদি বেলি উদয় হোৱাৰ আগতে দৰৱটো দিয়ে লখণ পুনৰ জী উঠিব।

কথাটো শুনা মাত্রকেই উলিমনে মালংছ'লিং পর্ব্বতলৈ উৰা মাৰিলে। কিন্তু উলিমনে দৰৱটো বিচাৰি উলিয়াব নোৱাৰি মহা বিপদত পৰিল। আনহাতে বেলিও উদয় হওঁ-হওঁ। উলিমনে বহু কাকুতি-মিনতি কৰা সত্বেও উদয় হ'ব ধৰাত বেলিটো ধৰি আনি তাৰ কাষলতিত সুমুৱাই থৈ পর্ব্বতটোকে উভালি আনি বিবিহনৰ ওচৰত দিলে। বিবিহনে দৰৱটো দিয়াত লখণ পুনৰ জী উঠিল।

বহু পলমৰ পিচতো বেলি উদয় নোহোৱাত সকলোৱে আচৰিত হ'ল। তেতিয়া উলিমনে কাষলতিৰ পৰা বেলিটো এৰি দিয়াতহে পৃথিবীখন পোহৰ হৈ উঠিল।

Digitization by American Academy of Indic Studies. AAIS(USA)

মুহীৰাৰণ বধ

লখণ পুনৰ জী উঠাৰ পিচত ৰামে দুই-তিনিদিনৰ যুদ্ধ বিৰতি ঘোষণা কৰি বিশ্রাম ল'বলৈ মনস্থ কৰিলে আৰু উলিমনক পহৰা দিবলৈ কৈ ৰাম-লখণ দুয়ো শুবলৈ গ'ল।

আনপিনে ৰাৱণৰ সৰু ভায়েক মুহীৰাৱণে লংকাৰ সকলো ঘটনা শুনি আছিল। মুহীৰাৱণৰ ৰাজ্য আছিল পাতাল। পাতালত মুহীৰাৱণে কাৰণচিংদি দেৱীৰ অনুগ্রহত বলীয়ান। ককায়েক ৰাৱণক সহায় কৰাৰ অভিপ্রায়েৰে বিবিহনৰ ৰূপলৈ মুহীৰাৱণে উলিমনৰ ওচৰত আহি ক'লে,—"যোৱা উলিমন তুমিও অলপ বিশ্রাম কৰা। ময়েই পহৰা দিওঁ।"

উলিমনেও অলপ বিশ্রাম লোৱাৰ ব্যৱস্থা কৰিলে। সেই চলতে মুহীৰাৱণে ৰাম আৰু লখণক পাতাললৈ লৈ গৈ বন্দী কৰিলে আৰু কাৰণচিংদি দেৱীৰ ওচৰত বলি দিয়াৰ আয়োজন কৰিলে।

ইপিনে উলিমনে সাৰ পাই ৰাম আৰু লখণক নেদেখি আচৰিত হ'ল আৰু বিবিহনকে দোষী সাব্যস্ত কৰিলে। কথাটো বিবিহনে গম পাই ততালিকে উলিমনক পাতাললৈ যাবলৈ নির্দ্দেশ দিলে।

উলিমনে পাতাল প্রবেশ কৰি এটি শিশুৰ ৰূপলৈ ৰাম-লখণক বিচাৰি ফুৰিব ধৰিলে। অৱশেষত ৰাম-লখণক লগ পাই ক'লে—"ভয়ৰ কোনো কাৰণ নাই। কালিলৈ মই নিজেই কাৰণচিংদিৰ ৰূপলৈ আহিম। যেতিয়া মুহীৰাৱণে চৰণ ল'বলৈ ক'ব তেতিয়া সেৱা লোৱাৰ পদ্ধতি অলপ দেখুৱাই দিবলৈ ক'ব। তেতিয়া কামটো সমাধা কৰিব লাগিব।"

পিচদিনা পুৱাতে মুহীৰাৱণে ৰাম-লখণক কাৰণচিংদিৰ ওচৰলৈ আনি বলি দিয়াৰ ব্যৱস্থা কৰিলে। পূর্ব্বৰ আলোচনা মতে দেৱীৰ ওচৰত কেনেকৈ সেৱা জনাব লাগে তাকে দেখুৱাই দিবলৈ কোৱাত

Digitization by American Academy of Indic Studies. AAIS(USA)

মুহীৰাৱণে আঠুকাঢ়ি দেৱীৰ চৰণ চুৱাৰ লগে লগে উলিমনে তাক দ্বিখণ্ডিত কৰি ৰাম আৰু লখণক লৈ পুনৰ পৃথিবীলৈ ঘূৰি আহিল।

ৰাৱণ বধ

ভায়েক মুহীৰাৱণৰ পতনৰ পিচত ৰাৱণ একেবাৰে অকলশৰীয়া হ'ল। তথাপি ৰাৱণে দুৰ্ব্বলতা প্ৰকাশ নকৰে। ৰাৱটা মূৰেৰে ৰাৱখন হাত, লগতে অনেক সৈন্য-সামন্ত লৈ ৰাৱণ পুনৰ ৰাম-লখণৰ সন্মুখীন হ'ল। দুয়োপক্ষৰ শৰে আকাশ চানি ধৰিলে। এটা-এটাকৈ ৰাৱণৰ সকলো সৈন্য পৰিবৰ্লৈ ধৰিলে। তথাপি বীৰ বিক্ৰমেৰে ৰাৱণ আহি ৰামৰ সন্মুখীন হ'ল। বহুপৰ যুদ্ধ কৰাৰ পিচত ৰামৰ শৰে ৰাৱণক নিপাত কৰিলে। ৰাৱণৰ মৃত্যুৰ লগে লগে আকাশে-বতাহে ৰামৰ জয়ধ্বনি বাজি উঠিল। সকলো দেৱতাই যেন ৰাৱণৰ অত্যাচাৰৰ পৰা মুক্তি পালে। মৃত্যুৰ আগে আগে ৰাৱণে ৰাম-লখণক কলে—"তোমালোকতকৈ মোৰ বুদ্ধি অলপ বেছি। পৃথিবীত ইমানদিন পাপ কৰিও মই স্বৰ্গত স্থান পাম। কিয়নো ৰামৰ হাততেই মোৰ মৃত্যু হৈছে। তোমালোকে আকৌ মোক স্বৰ্গত লগ পাবা।"

ছিনতাৰ অগ্নি পৰীক্ষা

যুদ্ধ জয়ৰ পিচত ৰাম আৰু লখণ ছিনতাৰ ওচৰলৈ গ'ল। ৰামৰ কাৰণে ব্যাকুল ছিনতাৰ মুখত হাঁহি বিৰিঙিল। ছিনতাই

Digitization by American Academy of Indic Studies. AAIS(USA)

ওচৰলৈ আহিব ধৰোঁতে ৰামে বাধা দি ক'লে—"ৰবা কুংৰী! তোমাৰ ওপৰত সন্দেহ আছে। তুমি আজি অ'তদিনে পাপী ৰাৱণৰ বন্দিনীৰূপে আছিলা। হয়তো অ'তদিনে তুমি অসুৰৰ খাদ্যকে খাই জীৱন ধাৰণ কৰি আছা। গতিকে তোমাৰ ওপৰত অগ্নি পৰীক্ষা লোৱা হ'ব।"

ৰামৰ কথা শুনি ছিনতা শঙ্কিত হ'ল। দপ্-দপ্কৈ জ্বলি উঠা জুইৰ ওচৰলৈ ছিনতা কুংৰী নির্ভিকভাৱে আগবাঢ়িল। কিন্তু কিহৰ দোষত অগ্নিয়ে ছিনতা কুংৰীৰ ওপৰত বিচাৰ কৰিব? নির্দ্দোষী ছিনতা কুংৰীয়ে জুইৰ শিখাৰ মাজেদি ৰামৰ ওচৰলৈকে আহিল।

ৰামে ধার্ম্মিক বিবিহনক লংকাৰ ৰজা পাতি থৈ পত্নী ছিনতা, লখণ আৰু উলিমনক লৈ নিজ ৰাজ্যলৈ উভতি আহিল।

সুদীর্ঘ বাৰ বছৰৰ পিচত ৰাম-লখণ আৰু ছিনতাক ৰজা-ৰাণীৰূপে প্রজাবোৰে পাই নিজকে ধন্য মানিলে।

উলিমনৰ অন্নভোজন

ৰাম আৰু লখণে লংকা জয় কৰি ছিনতা কুংৰীক উদ্ধাৰ কৰাৰ পাচত উলিমনে আহি ক'লে,—"হে ৰাম! আপোনালোকৰ লগত যুদ্ধলৈ ওলোৱাৰ দিন ধৰি এসাজো ভালকৈ খাব পৰা নাই। আজি মোৰ বৰ ভোক লাগিছে। আপোনালোকে নিজ হাতে ৰান্ধি খুৱালে বৰ কৃতার্থ হ'ম।"

তাকে শুনি ৰামে লখণক ভাত ৰান্ধিবলৈ আদেশ দিলে।

Digitization by American Academy of Indic Studies. AAIS(USA)

লখণে দুটা চৌকাত ভাত বহাই ভাত ৰান্ধিলে আৰু উলিমনক খাবলৈ দিলে। উলিমনে খাবলৈ বহি সকলোবোৰ ভাত খাই শেষ কৰি পুনৰ ভাতৰ কাৰণে চিঞৰ-বাখৰ লগালে। ইপিনে ভাত ৰান্ধি-ৰান্ধি লখণৰ হাত-ভৰিবোৰ জুইত পুৰিবলৈ ধৰিলে। তথাপিও উলিমনক নাটেহে নাটে।

তাকে দেখি ৰামে এটা বুদ্ধি পাঙিলে। ৰামে ততালিকে মাখি-বোৰক মাতি আনি মনে মনে উলিমনৰ মূৰৰ ওপৰত ভাত থৈ আহিবলৈ আদেশ দিলে। কথামতেই কাম হ'ল। তাৰ পিচত ৰামে মিচিকাই হাঁহি ক'লে,—"হে বীৰ উলিমন! খাওঁ বুলিয়েই ইমানকৈ খাব লাগেনে? তোমাৰ মূৰৰ ওপৰলৈকে ভাতবোৰ ওলায়েই আহিলচোন।"

ৰামৰ কথাত উলিমনে মূৰত হাতদি দেখে যে সঁচাকৈ মূৰৰ ওপৰত ভাতবোৰ জমা হৈ আছে। তেনে কথাত উলিমনে লাজ পালে আৰু ৰাম-লখণক সাক্ষী কৰি শপত খালে যে পৃথিবীত চন্দ্ৰ-দিবাকৰ থাকে মানে তাৰ বংশধৰসকলে লখিমী (অন্ন) ভোজন নকৰে।

ছিনতা কুংৰীৰ পুনৰ বনবাস

সুদীৰ্ঘ বাৰ বছৰৰ বনবাসৰ পিচত নিজৰ ৰাজ্যলৈ ঘূৰি আহি ৰাম ৰজা হ'ল। ৰাম এজন প্ৰজাৰঞ্জক ৰজা আছিল। তেওঁৰ ৰাজ্যত দুখ বা আকাল বুলিবলৈ নাছিল। সকলো পিনে জয়-জয় ময়-ময়।

তাৰ মাজতো প্ৰজাৰ মাজত কৌতূহল। বাৰ বছৰ বনবাসত ৰাম আৰু লখণে কেনেকৈ লংকালৈ গৈ ৰাৱণক বধ কৰিলে, ৰাৱণ বা কেনে ধৰণৰ ইত্যাদি কথাই প্ৰজাবোৰৰ মাজত কৌতূহলৰ সৃষ্টি

Digitization by American Academy of Indic Studies. AAIS(USA)

কৰে। বিশেষকৈ নাৰী মহলত তাকেলৈ নানান গল্প-গুজৱ উঠিবলৈ ধৰিলে।

ৰাজ-অন্তেষপুৰত ৰমণীসকলে ছিনতা কুংৱীৰ মুখৰ পৰা ৰাম-ৰাৱণৰ কাহিনী শুনি ৰৰকৈ আমোদ পালে। কথাই কথাই এদিন ৰমণী এজনীয়ে প্ৰশ্ন কৰিলে—"হেমফীপী! এটা কথা সোধো। আপুনিটো বহুদিনেই লংকাত থাকিলে। তাৰেই ভিতৰত এদিন নহয় এদিন ৰাৱণক নিশ্চয় দেখিছে। গতিকে কওঁকচোন তাৰ কেনেকুৱা চেহেৰা?"

প্ৰশ্নটো শুনি ছিনতাই ক'লে—"যি কোনোৰে চেহেৰা জানো মুখেৰে বৰ্ণাব পাৰি? ময়ো অৱশ্যে তাৰ মুখলৈ চোৱা নাই। এদিন পানীৰ তলত তাৰ ছাঁটো দেখিছোঁ মাত্ৰ।"

তাকে শুনি ৰমণীসকলৰ মাজত ৰৰ কৌতূহলৰ সৃষ্টি হ'ল আৰু আটায়ে ছিনতাক জুমুৰি দি ক'লে—"আপুনিটো ভাল ছবি আঁকিব জানেই। গতিকে তাৰ ছবিয়েই আঁকি দেখুৱাওক। তাক চাবৰ মন গৈছে।"

ৰমণীসকলৰ কথা পেলাব নোৱাৰি ছিনতা কুংৱীয়ে কাপোৰত এঙাৰ এডালেৰে ৰাৱণৰ প্ৰতিচ্ছবি আঁকি দেখুৱালে।

ছবিখন চাই ৰমণীসকলে ৰাৱণৰ প্ৰতি নানান মন্তব্য কৰি থাকোঁতেই ৰাজঅন্তেষপুৰলৈ ৰামৰ আগমন হ'ল। ৰামৰ আগমনত সকলো ৰমণী পলাল। ছিনতা কুংৱীয়ে ৰাৱণৰ ছঁবিটো লৈ কি কৰিব কি নকৰিব কৈ ভাবি থাকোঁতেই ৰাম আহি পালে। ছিনতাৰ হাতত ৰাৱণৰ ছবি দেখি ৰাম খঙত জ্বলি-পকি উঠিল: "ছিনতা! তুমি ডাইনী হোৱা। তুমি ৰাৱণক ইমানকৈ ভালপোৱা বুলি জনা-হেঁতেন তোমাক উদ্ধাৰ নকৰিলোঁহেঁতেন। তোমাৰ ওপৰত কৰা মোৰ সন্দেহ সঁচা আছিল। এতিয়া জানিছোঁ তোমাৰ গৰ্ভৰ সন্তানো নিশ্চয় মোৰ নহয়। গতিকে ছিনতা, তুমি মোৰ ৰাজ্যত বাস কৰিব

Digitization by American Academy of Indic Studies. AAIS(USA)

নোৱাৰিবা। এতিয়াই তোমাক নির্ব্বাসন দিলোঁ আৰু অনির্দ্দিষ্ট কাললৈকে বনবাস খাটিব লাগিব।”

ৰামে খণ্ডত হিতাহিত জ্ঞান হেৰুৱালে। ফলত ছিনতা কুংৰীৰ ইননি-বিননি একো নুশুনি ভায়েক লখণক মাতি আদেশ কৰিলে যে এই মুহূর্ত্ততে ছিনতাক ৰাজ্যৰ বাহিৰ কৰি বণত এৰি থৈ আহিব লাগে।

আদেশমতে লখণে বৌৱেকক ৰথত তুলি লৈ গ'ল। ছিনতাই লখণৰ আগত সকলো কথা বিবৰি ক'লে। লখণে দুখোৰ ক'লে—“বৌদৈউ! মই কি কৰিব পাৰোঁ? দোষ কাৰো নহয়। সৃষ্টিকর্ত্তাৰেই দোষ। গতিকে ধৈর্য্য ধৰক, সকলো ঠিক হৈ যাব।”

লখণৰ কথাত ছিনতাই দুখেৰে ক'লে—“মোৰ কপালেই বেয়া; তথাপিটো মই ধৈর্য্য ধৰিব লাগিব অন্ততঃ মোৰ পেটৰ সন্তানটিৰ কাৰণে। কিন্তু তোমালোকে সময়ত সকলো বুজিব পাৰিবা।”

এনেতে গন্তব্য স্থান আহি পোৱাত লখণে ছিনতাক তাতে এৰি থৈ পুনৰ ঘূৰি আহিল। ঘোপমৰা এন্ধাৰ আৰু দৰা-পিতা বৰষুণত ছিনতা অটব্য হাবিত অকলশৰীয়া হ'ল। ক'লৈ যাব ক'লৈ নেযাব ভাবি কান্দিবলৈ ধৰিলে।

ছিনতা কুংৰীৰ তেনে দুখত হেমফুৱে বৈৰাগীৰ ৰূপলৈ তাইৰ ওচৰত দেখা দি ক'লে—“আই! তুমি একো চিন্তা নকৰিবা। সকলো ভগৱানৰ ইচ্ছা। আহা মোৰ লগতে আহা। তোমাৰ একো কষ্ট নহ'ব।”

ছিনতাই বৈৰাগীৰ আশ্রমতে বাস কৰিবলৈ ল'লে আৰু সুখ-দুখৰ মাজেদি দিন কটাবলৈ ধৰিলে।

ল'ছ' আৰু কেহ'ৰ জন্ম

বৈৰাগীৰ আশ্রমতেই ছিনতা কুংৰীৰ পুত্র জন্ম হ'ল। কাপোৰ-কানিৰ অভাৱত শুকান গছৰ পাতেৰে ছিনতাই কেঁচুৱাটোক

Digitization by American Academy of Indic Studies. AAIS(USA)

তুলি ললে আৰু সেইদৰেই ডাঙৰ-দীঘল হ'ল। শুকান গছৰ পাতৰ উমত ডাঙৰ হোৱাৰ বাবে ছিনতাই তাৰ নাম থ'লে ল'ছ' অর্থাৎ পাতত ডাঙৰ হোৱা কেঁচুৱা।

ল'ছ' সৰুৰে পৰা পিতাক ৰামৰ দৰেই আছিল। বৈৰাগী-ৰূপী হেমফুৰ তত্ত্বাৱধানত ল'ছ'ই নানান জ্ঞান আৰু বিদ্যা আহৰণ কৰিলে। ফলত বাপেকৰ দৰেই সৰুৰে পৰা বলবান আৰু যোদ্ধা হ'ল।

এদিন ছিনতাই ল'ছ'ক বৈৰাগীৰ তত্ত্বাৱধানত ৰাখি নৈত গা ধুবলৈ গ'ল। বৈৰাগী তেতিয়া তপস্যাত মগ্ন আছিল। চঞ্চল-মতীয়া ল'ছ'ই সেই সুযোগতে পলাই মাকৰ ওচৰ পালেগৈ। বৈৰাগীয়ে ল'ছ'ক নেদেখি ছিনতাৰ খণ্ডৰ ভয়ত ততালিকে ঘাঁহ এমুঠি লৈ ল'ৰা এটা সৃষ্টি কৰিলে।

এনেতে ছিনতাই ল'ছ'ক লগত লৈ আহি পোৱাত বৈৰাগীয়ে সকলো কথা স্বীকাৰ কৰি ক্ষমা খুজিলে। ছিনতা কুংৰীয়ে হাঁহি মুখে ল'ৰাটো কোলাত লৈ পুতেকৰ স্বীকৃতি দিলে আৰু লৰাটোৰ নাম থ'লে কেহ' অর্থাৎ ঘাঁহেৰে সৃষ্টি হোৱা কেঁচুৱা।

ছিনতা কুংৰীৰ মৰমত দুয়োটি ল'ৰা ডাঙৰ হ'বলৈ ধৰিলে। এনেতে বৈৰাগীৰ মুখে ৰাম-লখণৰ বীৰত্বৰ কথা শুনি ল'ৰা দুটাই মাকক সুধি ব্যতিব্যস্ত কৰি তুলিলে—"ৰাম আৰু লখণনো কোন? কিমান শক্তি সিহঁতৰ।"

ছিনতাই একো ক'ব নোৱাৰি মাথোন ক'লে—"বোপাহঁত! ময়ো চিনি নেপাওঁ। শুনিছোঁহে মাথোন।"

আনপিনে ৰামে সিহঁতৰ বাহিৰে আৰু নো কোন বীৰ আছে তাকে গম ল'বলৈ লোহা আৰু শিলৰ ঘোঁৰা তৈয়াৰ কৰি লগত উলিমনৰ সৈতে অনেক সৈন্য-সামন্ত দি পঠালে। ঘোঁৰাটো গৈ গৈ দেশে-বিদেশে ফুৰি অৱশেষত কিশোৰ ল'ছ' আৰু কেহ'ৰ ওচৰত ওলাল।

Digitization by American Academy of Indic Studies. AAIS(USA)

ল'ছ' আৰু কেহ'য়ে খেলাৰ সামগ্ৰী ভাবি ঘোঁৰাটো ধৰি লৈ দেখে ই আচল ঘোঁৰা নহয়। তাকে দেখি ল'ছ'ই ক'লে "ই কাৰ বুদ্ধি?" কেহ'ই উত্তৰ দিলে—"ই নিশ্চয় ককা-বৈৰাগীয়ে কোৱা ৰাম আৰু লখণৰ বুদ্ধি হ'ব। গতিকে অপেক্ষা কৰোঁ। দেখা যাওক আজি সিহঁতৰ কিমান শক্তি?"

এইদৰে খন্তেক অপেক্ষা কৰোঁতেই বিপুল সৈন্যেৰে উলিমন উপস্থিত হ'ল। ল'ছ' আৰু কেহ'ই তাৰ পৰিচয় লৈ ঘোঁৰা এৰি দিবলৈ মান্তি নহ'ল। ফলত যুদ্ধ আৰম্ভ হ'ল। যুদ্ধত উলিমনৰ মূৰ চিঙি পৰিল। তাকে দেখি দুয়ো ভায়ে-ককায়ে ইটোৱে-সিটোলৈ চাই হাঁহিলে।

আনপিনে ৰাম আৰু লখণৰ চিন্তা। উলিমন কিয় ঘূৰি অহা নাই। কিবা বিপদ জানি ৰাম আৰু লখণ দুয়ো আগবাঢ়ি আহিল। আহি ল'ৰা দুটিক পাই নিজৰ পৰিচয় দি লখণে ক'লে—"এই ল'ৰাহঁত! তহঁত ইমান সৰু-সৰু পোৱালীয়ে কি যুদ্ধ কৰিবি? ঘোঁৰা এৰি দে, নহ'লে বিপদ হ'ব।"

লখণৰ কথা শুনি ল'ৰা দুটাৰ খং উঠিল: "ৰাম আৰু লখণ! ইমান দিনে আমিও সমকক্ষ যোদ্ধা বিচাৰি আছিলোঁ। সাহস আছে যদি যুদ্ধ দে।"

ল'ৰা দুটিৰ কথাত অতীষ্ঠ হৈ ৰাম আৰু লখণেও যুদ্ধ আৰম্ভ কৰিলে। আঁতৰৰ পৰাই বৈৰাগীৰূপী হেমফুৱে হাঁহি মুখে খেলাটো চাই থাকিল।

যুদ্ধৰ এখন্তেকৰ পাচতে ৰাম আৰু লখণ দুয়োকে বধ কৰি মাক ছিনতাৰ ওচৰত আহি ক'লে—"কোনে কয় ৰাম-লখণ বীৰ? তই চাহি মা? আমি আজি সিহঁত দুটাকে যুদ্ধত ঘটোৱাই কেনেকৈ হত্যা কৰিলোঁ।"

তাকে শুনি ছিনতাই কান্দি-কান্দি ক'লে—"বোপাহঁত! তেনে কিয় কৰিছ? ৰাম আৰু লখণ তহঁতৰ পৰ নহয়।"

Digitization by American Academy of Indic Studies. AAIS(USA)

এনেতে বৈৰাগীয়ে আহি ক'লে—"আই! তুমি চিন্তা নকৰিবা। সকলো ঠিক হৈ যাব।" তাকে কৈ বৈৰাগীয়ে মৃত ৰাম-লখণ আৰু উলিমনৰ ওচৰলৈ গৈ মৃত সঞ্জীৱনী চতিয়াই পুনৰ জীয়ালে। পুনৰ জীৱন পায়েই ৰামে সুধিলে—"হে বৈৰাগী! সেই ল'ৰা দুটি কাৰ?"

তাকে শুনি বৈৰাগীয়ে গহীনাই ক'লে—"সিহঁত আন কোনো নহয়, ছিনতা কুংবীৰ পুত্রদ্বয়। তেখেত বৰ্ত্তমান ইয়াতেই আছে। আপোনালোকে কিবা ক'ব লগা থাকিলে কথা পাতক।"

ৰামে হুমুনিয়াহ কাঢ়িলে। ৰামৰ অনুসূচনা আহিল। ছিনতা কুংৰীক সি কি বুলি মাতিব। এনেতে ছিনতাই আহি ৰামৰ ওচৰত চৰণ লোৱাত ৰামে তাৰ ভুলৰ বাবে তাইৰ ওচৰত ক্ষমা খুজি পুনৰ ৰাজ্যলৈ লগত যাবলৈ অনুৰোধ কৰিলে। তাকে দেখি ল'ছ' আৰু কেহ'ই আচৰিত হ'ল।

এনেতে বৈৰাগীয়ে নিজৰ ৰূপ ধৰি সিহঁতৰ ওচৰত থিয় হ'ল। সম্মুখত স্বয়ং হেমফুক দেখি সকলোৱে প্রণাম কৰিলে। হেমফুৱে ছিনতাক ক'লে—"যোৱা আই! তোমাৰ পতিগৃহলৈকে পুনৰ উভতি যোৱা। মই পুনৰ স্বর্গলৈকে যাম।"

হেমফুৰ আদেশ মতে ছিনতা, ল'ছ'-কেহ'ৰ সৈতে ৰামে ৰাজ্যলৈ হাঁহি মুখে ফিৰি আহিল।

ছিনতাৰ পাতাল প্রবেশ

ৰামৰ ৰাজ্যত পুনৰ হাঁহি বিৰিঙি উঠিল। ৰাজ-অন্তেষপুষলৈ আনন্দ ফিৰি আহিল। প্রজাবোৰেও হাঁহিমুখে নিজৰ নিজৰ কামত লাগিল।

তাৰ ভিতৰতো কেইজনমান প্রজাই ছিনতা কুংবীৰ পুনৰাগমনক সহজভাৱে ল'ব নোৱাৰিলে। তাৰ বাবে ৰামকে দুষিলে—"তেনে কুলক্ষণীয়া নাৰীক কিয় পুনৰ বিবাহ কৰিলে। এবাৰ নহয় দুবাৰ কৈ বিচ্ছেদ হৈ দুবাৰ মিলনৰ ঘটনা নিশ্চয় নীতিগত নহয়। কেৱল

Digitization by American Academy of Indic Studies. AAIS(USA)

ছিনতা কুংৱীয়েই নাৰী নেকি? ছিনতাৰ পুনৰাগমনে ৰামৰাজ্যলৈ দুৰ্ভিক্ষ আনিব।"

তেনে কু-মন্তব্য শুনি ছিনতা কুংৱীয়ে দুখ পালে। মনতে ভাবিলে প্ৰজাসকলে মোৰ প্ৰতি লোৱা ভুল ধাৰণাই মোক অতিষ্ঠ কৰি তুলিলে। মই ইয়াত আৰু থাকিলে লাজ-অপমানত মৰিব লাগিব। এনেও পৃথিবীত মোৰ কাম শেষ হৈ আহিছে যেতিয়া মোৰ মাৰ ওচৰলৈকে গুচি যাওঁ। তাত বিনে মোৰ শান্তিৰ স্থান আৰু নাই। ইয়াকে কৈ ছিনতা কুংৱীয়ে ৰাতি সকলোৱে নিদ্ৰাত লাল-কাল দিংথকা অৱস্থাত ৰাজ-অন্তেষপুৰৰ পৰা ওলাই দৌৰ দিলে। দৌৰি দৌৰি বহু পৰ্ব্বত-পাহাৰ অতিক্ৰম কৰাৰ পিচত ছিনতাই মাতৃ বসুমতীক নিজৰ দুখ-লাঞ্ছনাৰ কথা কৈ বুকুত আশ্ৰয় খুজিলে। মাতৃ বসুমতীয়ে ফাঁট মেলি ছিনতা কুংৱীক পুনৰ বুকুত সাৱটি ললে।

ছিনতা কুংৱীৰ অবিহনে ৰামৰাজ্যত নীৰৱতা বিৰাজমান। এপিনে ল'ছ' আৰু কেহ'ই মাকক বিচাৰি হুলস্থুল কৰিলে। তাকে শুনি ৰাম আৰু লখণে আহি দেখে যে ছিনতা কুংৱী নাই। ছিনতাৰ ব্যৱহাৰত ৰামে বৰ দুখ পালে আৰু লখণকলৈ ছিনতাক বিচাৰি ওলাল।

ৰাম আৰু লখণে ছিনতাৰ সন্ধানত ভ্ৰমি ফুৰিবলৈ ধৰিলে। গছ-গছনি, পশু-পক্ষী যিহকে পালে সুধিবলৈ ধৰিলে যে কোনোবাই ছিনতাৰ সন্ধান দিব পাৰে নেকি? কিন্তু কোনেও প্ৰকৃত সন্ধান দিব নোৱাৰাত ৰাম-লখণৰ চিন্তা আৰু বাঢ়িল।

ভাবি ভাবি ৰামে শেষত বসুমতীকে সুধিলে। বসুমতীয়ে ভয়ত মনে মনে থকাত ৰামৰ বুজিবলৈ বাকী নেথাকিল যে ছিনতা তাইৰ আশ্ৰয়তে ক'ৰবাত আছে। বসুমতীৰ নীৰৱতাত ৰামৰ দুগুণে খং উঠিল।

খঙেৰে বসুমতীৰ বুকুলৈ ধেনু-কাঁড় জুৰি ক'লে—"এতিয়াই ছিনতাৰ সন্ধান দে। নহ'লে সকলো ছাৰখাৰ কৰি দিম।"

Digitization by American Academy of Indic Studies. AAIS(USA)

ৰামৰ ৰং দেখি হেমফুৱে আকাশ বাণী কৰিলে—"ক্ষান্ত হোৱা ৰাম! তেনে অপকাৰ্য্য কৰিলে তোমাৰ বদনাম হ'ব। মই হেমফু সৃষ্টিকৰ্ত্তা। মোৰ নিজ হাতেৰে ৰাম, লখন, ছিনতা আৰু থেছ'মাহাদিক সৃষ্টি কৰিছোঁ। এতিয়া তোমালোকৰ কাম এই পৃথিবীত নাই। পৃথিবীত ধৰ্মৰাজ্য পুনৰ প্ৰতিষ্ঠাৰ বাবেহে তোমা-লোকক পঠোৱা হৈছিল। এতিয়া পৃথিবীলৈ শান্তি নামি আহিছে। গতিকে তোমালোক পুনৰ স্বৰ্গলৈ গুচি আহা।

হেমফুৰ বাণী শুনি ৰাম ক্ষান্ত হ'ল। ৰাজধানীলৈ ঘূৰি আহি প্ৰজা আৰু জ্ঞাতি-কুটুম্বৰ পৰা বিদায় লৈ স্বৰ্গলৈ গুচি গ'ল। যোৱাৰ আগতে পুতেক ল'ছ'ক ৰজা পাতি থৈ কেহ'ক মন্ত্ৰী আৰু উলিমনক অভিভাৱকৰূপে থৈ গ'ল। স্বৰ্গলৈ যাওঁতে সকলোকে শুনাই থৈ গ'ল যে এসময়ত ৰাম, লখণ আৰু ছিনতা পুনৰ পৃথিবীলৈ আহিব আৰু তেতিয়া তেওঁলোক আটাইকে আকৌ লগ পাব।' প্ৰজা তথা জ্ঞাতি-কুটুমে বেজাৰ কৰি, বেজাৰ মনেৰে বিদায় দিলে।

সাম্ৰৰণি

ছাবিন আলুন পৰিবেশনৰ অন্তত লুঞ্চেপ'ৰে এটা মতা কুকুৰা আৰু মদ আদিলৈ ৰকাছেনৰ চোতালতে এটা শুভ পুৱাত পুথে-দেৱতালৈ পূজা দিলে। পূজাত কাছেনকে আদি কৰি সকলো ৰাইজ উপস্থিত হৈ সকলো সহায়-সহযোগিতা আগবঢ়ালে।

পূজাৰ উপচাৰ, ধূপ-ধূনা, মূৰ্গা, চাউলৰ পিঠাগুৰি, তাম, তুলসীৰে দেৱতা সন্তুষ্ট হোৱা দেখি ৰাইজে বৰ আনন্দ পালে আৰু মদ্যপানেৰে পৰিস্থিতি মুখৰিত কৰিলে।

ৰাইজৰ দৃঢ় বিশ্বাস যে চন্দ্ৰ-দিবাকৰ থাকে মানে কাৰবি সমাজত "ছাবিন আলুন" জীয়াই থাকিব। আৰু যুগে-যুগে কাৰবি জাতিৰ প্ৰেৰণাৰ উৎস হৈ ছাবিন জীয়াই থাকিব।

Digitization by American Academy of Indic Studies. AAIS(USA)

स्कैन/ Scanned

Digitization by American Academy of Indic Studies. AAIS(USA)

"स्कैन्ड/Scanned"

Digitization by American Academy of Indic Studies. AAIS(USA)